# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***-------------------***

১। শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমী। আজি দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা।

২। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা।

৩। যোৰহাট ষ্টেডিয়ামত কাইলৈ হ'বলগীয়া জুবিন গাৰ্গৰ ১৩ দিনীয়া মাংগলিক অনুষ্ঠানৰ বাবে মন্ত্ৰী বিমল বৰাৰ প্ৰস্তুতি পৰিদৰ্শন।

৪। কোকৰাঝাৰৰ পৰা গেলেফু আৰু পশ্চিমবংগৰ বানৰহাটৰ পৰা চামছে সংযোগী ৰে'ল প্ৰকল্প দুটা চাৰি বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ প্ৰকাশ।

**আৰু**

৫। বৰ্ষাপাৰা ষ্টেডিয়ামত আজি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলত ভাৰত আৰু শ্ৰীলংকাৰ মুখামুখি।

০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমী। আজি দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত কালি দুৰ্গা পূজাৰ সপ্তমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত দেৱীৰ আশীষ গ্ৰহণ কৰে।

**শিৱসাগৰ** জিলাত ১৭৩৪ চনত ৰাণী অম্বিকাই প্ৰতিষ্ঠা কৰা ২৯১ বছৰীয়া ঐতিহাসিক দেৱী দৌলত আধ্যাত্মিকতাৰ মাজেৰে শাৰদীয় পূজা অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে, এই দৌলত মহা অষ্টমীৰ প্ৰথম প্ৰসাদ নাগাৰা বজোৱা দৌল্লা পৰিয়াল আৰু কনচেং বৰপাত্ৰ গোঁহাই পৰিয়ালৰ পৰা আগবঢ়োৱাৰ ৰজাদিনীয়া পৰম্পৰা দৌল উন্নয়ন সমিতিয়ে এতিয়াও অক্ষুণ্ণ ৰাখিছে।

**ডিব্ৰুগড়** জিলাতো জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ অসমীয়া ৰীতি-নীতিৰে পালন কৰা হৈছে। ডিব্ৰুগড়ৰ পূৰ্ণানন্দ পথত থকা জ্ঞানদায়িনী দুৰ্গা পূজাথলীত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সেৱা জনায়।

**নগাঁও** জিলাত চাৰিশৰো অধিক পূজা সমিতিয়ে এইবাৰ দুৰ্গা পূজাৰ আয়োজন কৰিছে। অৱশ্যে এইবাৰ আনন্দ উল্লাসৰ পৰিৱৰ্তে অনাড়ম্বৰভাৱে দেৱীক আৰাধনা কৰা হৈছে। চহৰখনৰ ৰামকৃষ্ণ পথত থকা হিন্দু মিলন মন্দিৰৰ মণ্ডপৰ জৰিয়তে সমাজক বিশেষ বাৰ্তা দিবলৈ বিচৰা হৈছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা অষ্টমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হৈছে। আজি কুমাৰী পূজাও অনুষ্ঠিত হ'ব।

**ধুবুৰী** জিলাৰ বিভিন্ন অঞ্চলত আজি দেৱীক মহাষ্টমীত মহা গৌৰীৰ ৰূপত পূজা কৰা হৈছে। দিনৰ ১ বাজি ২১ মিনিটত সন্ধি পূজা কৰা হ'ব। জিলাখনত দুৰ্গা পূজাৰ উদযাপন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা প্ৰদীপ সাহা –

বাইট

**বৰপেটা** ৰোডৰ বিভিন্ন পূজাথলীত আজি মহাষ্টমী পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ দক্ষিণ প্ৰান্তৰ দক্ৰেশ্বৰ দেৱালয়, বৰপেটাৰোডৰ দুৰ্গাবাৰী কালীবাৰী পূজা আৰু শিৱবাৰীকে ধৰি বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে। হাউলীৰ আনন্দ বজাৰৰ জনকল্যাণ সমিতিৰ পূজা মণ্ডপে এইবাৰ ৰাইজক বিশেষভাৱে আকৰ্ষণ কৰিছে। তেওঁলোকে জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই মণ্ডপ নিৰ্মাণ কৰিছে।

দৰঙী কোচ ৰাজবংশৰ **মঙলদৈৰ** ৰজা হাউলীত ৪০৯ বছৰীয়া পৰম্পৰা আৰু ধৰ্মীয় ৰীতি-নীতিৰে আজি মহাষ্টমী পূজা অনুষ্ঠিত হৈছে। সন্ধিয়াৰ ভাগত আৰতি, ব্যাসৰ ওজাৰ দ্বাৰা জাগৰ পূজা আৰু মালচী গীত পৰিৱেশন কৰা হ'ব। উল্লেখযোগ্য যে এই ৰজাঘৰীয়া ঐতিহাসিক পূজাত দেৱীৰ মুখমণ্ডল ৰঙা ৰঙেৰে বোলাই ৰণচণ্ডী ৰূপত প্ৰতিষ্ঠা কৰা হয়। এই পূজাৰ সপ্তমী আৰু অষ্টমীত ৰজাঘৰৰ সদস্যই অংশ লোৱাৰ লগতে নৱমীৰ দিনটো প্ৰজাৰ বাবে মুকলি কৰি দিয়াৰ পৰম্পৰা আছিল।

**কোকৰাঝাৰ** জিলাৰ অৰ্ধ শতাধিক পূজা মণ্ডপত আজি পৰম্পৰাগত ৰীতি-নীতিৰে মহাষ্টমী পূজা অনুষ্ঠিত হৈছে। সকলো মণ্ডপতে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৪৩ খন ঠাইত শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে। আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা হ'ব। এই ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ বিষয়াইও দিল্লীত ঘটনাৰ অনুসন্ধাৰ বাবে উপস্থিত আছে। ইপিনে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ পৰিপ্ৰেক্ষিতত ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক আনুষ্ঠানিকভাৱে আবেদন জনাইছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, যে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ সন্ধান অসম আৰক্ষীয়ে লাভ কৰিছে। অহা ২-৩ দিনৰ ভিতৰত অভিযুক্ত শ্যামকানু মহন্ত গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে সাংবাদিকৰ আগত কয় যে এই ঘটনাৰ অনুসন্ধানৰ বাবে এছ আই টিয়ে ইতিমধ্যে ভালেমান তথ্য লাভ কৰিছে যদিও এতিয়াই তথ্যসমূহ ৰাজহুৱা কৰিব পৰা নাযায়। তেওঁ এই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে উৰা বাতৰিত পতিয়ন যোৱা আৰু ভ্ৰান্ত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙৰ এই মন্তব্যৰৰ পিছতে অভিযুক্ত শ্যামকানু মহন্তই আত্মসমৰ্পনৰ বাবে সাজু হোৱাৰ কথা জানিব পৰা গৈছে। সামাজিক মাধ্যম ফেচবুকৰ এটা পোষ্টত

তেওঁ কয় যে শীঘ্ৰে তেওঁ অসমলৈ আহি আছে। আৰক্ষীৰ সৈতে ইতিমধ্যে যোগাযোগ কৰাৰ কথাও তেওঁ পোষ্টটোত উল্লেখ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শনৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জুবিন গাৰ্গৰ বিয়োগে অসমত অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে এয়া শিল্পীগৰাকীৰ পৰিয়ালৰ বাবে কেৱল নহয়, বৰং সমগ্ৰ ৰাজ্য আৰু দেশৰ বাবে বৃহৎ ক্ষতি।

বাইট

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে এজাহাৰ দাখিল কৰাৰ পাছত কালি জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে তেওঁ ন্যায় বিচাৰে আৰু তদন্ত প্ৰক্ৰিয়াৰ ওপৰত আস্থা ৰাখিছে। ছিংগাপুৰৰ ৰহস্যজনক দ্বীপটোলৈ জুবিন গাৰ্গক কিয় লৈ যোৱা হৈছিল আৰু কি পৰিস্থিতিত এই ঘটনা ঘটিবলৈ পালে এই প্ৰশ্নসমূহৰ উত্তৰ তেওঁ পোৱা উচিত বুলিও শ্ৰীমতী গাৰ্গে মন্তব্য কৰে। শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিয়ে কালি বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামী, আৰু কণ্ঠ শিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে।

ইপিনে শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে কালি তেওঁৰ কাহিলীপাৰাস্থিত বাসগৃহত মাংগলিক অনুষ্ঠানৰ লগতে বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সোণাপুৰৰ কমাৰকুছিত শিল্পীগৰাকীৰ শেষকৃত্যথলীত কালি সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ কৰ্ণাধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে। ইতিমধ্যে যোৰহাট ষ্টেডিয়ামত অনুৰাগী গুণমুগ্ধ আৰু সতীৰ্থ শিল্পীয়ে ১৩ দিনীয়া মাংগলিক অনুষ্ঠানৰ বাবে ভিন্ন কাৰ্যসূচী হাতত লৈছে। মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত জিলা প্ৰশাসনৰ লগতে অনুৰাগী আৰু শিল্পীসমাজৰ সৈতে আলোচনাত মিলিত হৈ প্ৰস্তুতিৰ নিৰীক্ষণ কৰিছে।

oooooo

জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠানৰ প্ৰতি সন্মান জনাই বিশ্বনাথ জিলাৰ কাৰ্বি সাংস্কৃতিক সমাজে বিহালীৰ ভৰালীজুলিৰ ল'ৰেছাৰপ' বাকৰিত কাইলৈৰপৰা অনুষ্ঠিত হ'বলগীয়া ৩৩ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ পিছুৱাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এটা বিবৃতিযোগে বিশ্বনাথ জিলাৰ কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি যোগেন টেৰনে এই কথা জানিবলৈ দিয়ে। কাৰ্বি সাংস্কৃতিক সমাজৰ প্ৰতিনিধি, জিলা সমিতি আৰু অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াৰ মাজত হোৱা আলোচনাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাইলৈ জনপ্ৰিয় শিল্পীজনৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত কাৰ্বি মহোৎসৱ অক্টোবৰৰ ৩ ৰ পৰা ৫ অক্টোবৰলৈ তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

oooooo

ভূটানৰ সৈতে সম্পৰ্ক শক্তিশালী কৰি তোলাৰ বাবে অসমৰ কোকৰাঝাৰৰ পৰা গেলেফু আৰু পশ্চিমবংগৰ বানৰহাটৰ পৰা চামছে সংযোগী ৰে'ল প্ৰকল্প দুটা চাৰি বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। ৪ হাজাৰ ৩৩ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্প দুটাৰ ফলত দুয়োখন দেশ লাভৱান হ'ব বুলি ৰে'ল মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত বিদেশ সচিব বিক্ৰম মিশ্ৰীৰ সৈতে এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কোকৰাঝাৰৰ পৰা গেলেফু সংযোগী ৬৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথছোৱা নিৰ্মাণৰ বাবে ৩ হাজাৰ ৪৫৬ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। একেদৰে ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ বানৰহাট ছামছে ৰে'ল প্ৰকল্পৰ বাবে ৫৭৭ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এই সমগ্ৰ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ভইচ (অশ্বিনী বৈষ্ণৱ)

বিদেশ সচিব শ্ৰী মিশ্ৰীয়ে এই প্ৰসংগত কয়, যে প্ৰথমবাৰৰ বাবে ভূটানৰ সৈতে এনেধৰণৰ ৰে'ল প্ৰকল্প নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। বিগত বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূটান ভ্ৰমণ কালত এই সন্দৰ্ভত বুজাবুজিৰ চুক্তি

স্বাক্ষৰ হৈছিল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে সুৰক্ষাজনিত দিশৰ লগতে সাংস্কৃতিক আৰু ঐতিহাসিক কালৰেপৰা দেশ দুখনৰ জনসাধাৰণৰ মাজত থকা মৈত্ৰিৰ বান্ধোন শক্তিশালী কৰাৰ ক্ষেত্ৰত এই প্ৰকল্প দুটাই বিশেষভাৱে সহায় কৰিব। ভাৰতে ভূটানৰ উন্নয়নমূলক কাৰ্যকলাপত বিশেষভাৱে অৰিহণা যোগাই আহিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে আন্তঃগাঁথনি আৰু অৰ্থনৈতিক উন্নয়নৰ দিশত এই প্ৰকল্প দুটাই গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

শেহতীয়া জি এছ টি সংস্কাৰে অসমৰ অৰ্থনীতিৰ বিভিন্ন খণ্ডত প্ৰভাৱ পেলাইছে। জি এছ টি সংস্কাৰে চাহ বাগিচা আৰু ক্ষুদ্ৰ চাহ খেতিয়কসকলক যথেষ্ট উপকৃত কৰিছে। চাহত বৰ্তমান জি এছ টি ৫ শতাংশলৈ হ্ৰাস হোৱাত ৰপ্তানিৰ ক্ষেত্ৰত বিশেষ সুবিধা হৈছে। একেদৰে উজনি অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে উৎপাদন কৰা অৰ্থডক্স চাহত ৫ শতাংশ জি এছ টিয়ে বিশেষকৈ টী বেগত ১১ শতাংশ ব্যয় হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। আনহাতে, মুগা সূতাৰ ক্ষেত্ৰত নতুন ৫ শতাংশ জি এছ টিৰ হাৰে হস্তশিল্পৰ সামগ্ৰীৰ মূল্য ৬ দশমিক ২ - ৫ শতাংশলৈ হ্ৰাস কৰিব। একেদৰে গামোচাৰ ক্ষেত্ৰতো জি এছ টিৰ হাৰ ১২ৰ পৰা ১৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত আজি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে ভাৰতীয় মহিলা দলটোৱে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ খিতাপ লাভৰ বাবে ৪৭ বছৰীয়া অপেক্ষাৰ অন্ত পেলাবলৈ চেষ্টা কৰিব। মহিলা বিশ্বকাপ ২০২৫ত অষ্ট্ৰেলিয়া, ইংলেণ্ড, ভাৰত, নিউজিলেণ্ড, দক্ষিণ আফ্ৰিকা, শ্ৰীলংকা, বাংলাদেশ আৰু পাকিস্তানে অংশগ্ৰহণ কৰিছে। এই দলসমূহে ভাৰতৰ চাৰিটা আৰু কলম্বোৰ এটা স্থানত ৰাউণ্ড ৰবীন পৰ্যায়ত ২৮ খন লীগ মেচত অংশগ্ৰহণ কৰিব। ভাৰত আৰু পাকিস্তানৰ মাজৰ বহু প্ৰত্যাশিত খেলখন অহা ৫ অক্টোবৰত কলম্বোত অনুষ্ঠিত হ'ব। আজি উদ্বোধনী অনুষ্ঠানৰ ৪০ মিনিট সময় সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে উৎসৰ্গিত হ'ব বুলি বি চি চি আইয়ে সদৰি কৰিছে। বলিউদৰ বিশিষ্ট কণ্ঠশিল্পী শ্ৰেয়া ঘোষালে আজি উদ্বোধনী খেলত জুবিন গাৰ্গৰ মায়াবিনী গীতটোৰে শ্ৰদ্ধাঞ্জলি জনাব। ইপিনে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ বাবে আজি যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰীৰ যান-বাহন শাখাই বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

## NEWS PAPER REV/RNU (30-09-2025) MRN.

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত শাৰদীয় দুৰ্গাপূজাৰ বাতৰিৰ লগতে অধিকাংশ বাতৰি জুবিন গাৰ্গৰ প্ৰসংগই স্থান লাভ কৰিছে।

বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত আজি হ'বলগীয়া মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেটৰ আৰম্ভণিতে শ্ৰেয়া ঘোষাল, পাপন আৰু জয় বৰুৱাই গীতেৰে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাব। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে অসম আৰক্ষীৰ বিতৰ্কিত জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলে আৰু তেওঁৰ কন্যাৰ বিৰুদ্ধে জালিয়াতিৰ অভিযোগত দিল্লী আৰক্ষীয়ে গোচৰ ৰুজু কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

এছ্‌ আই টিৰ তদন্তৰ বাবে অহা দুই-তিনিদিন গুৰুত্বপূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰি অসমীয়া খবৰ কাকতৰ।

নিয়মীয়া বাৰ্তা কাকতে মায়ঙৰ একেটা পৰিয়ালৰ তিনিগৰাকী কন্যাৰ কালি বাঢ়নি পানীত গা ধুই থকা সময়ত হোৱা মৃত্যুৰ বাতৰিটো প্ৰকাশ কৰিছে।

বিটিচি পৰিষদীয় নিৰ্বাচনত জয়লাভ কৰা প্ৰাৰ্থী আৰু পৰিষদ গঠন কৰিবলৈ সংখ্যাগৰিষ্ঠতা লাভ কৰা দলৰ সদস্য সকলৰ অহা ৫ অক্টোবৰত শপত গ্ৰহণ অনুষ্ঠিত হ'ব। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ।

যোগাযোগ আৰু বাণিজ্য বৃদ্ধিৰ লক্ষ্যৰে ভাৰত আৰু ভূটানৰ মাজত প্ৰথমবাৰৰ বাবে ৰে'ল সংযোগ প্ৰকল্পত দুয়ো দেশৰ চৰকাৰে অনুমোদন জনোৱাৰ এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত চলাই থকা চি আই ডিয়ে কালি তৃতীয় দিনাৰ বাবে অমৃত প্ৰভা মহন্ত আৰু শেখৰ জ্যোতি গোস্বামীক জেৰা কৰে। বাতৰিটো দৈনিক জনমভূমি কাকতৰ।

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত শোকসাগৰত ডুব যোৱা ৰাজ্য বাসীয়ে এই বেলি অনুষ্টুপীয়াকৈ দুৰ্গাপূজাৰ আয়োজন কৰিছে। প্ৰাণৰ শিল্পীৰ অৱৰ্তমানত পূজথলী উকা শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুক লৈ তদন্ত আৰু ন্যায়ৰ বাবে দাবী জনাইছে পত্নী গৰিমা গাৰ্গে। এই বাতৰি আমাৰ অসম কাকতৰ লগতে আটাইবোৰ কাকতে প্ৰকাশ কৰিছে।

০০০০০০

অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্নকাকত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে প্ৰস্তুত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। অসমীয়া মাধ্যমৰ শিক্ষাৰ্থীৰ সুবিধাৰ বাবে আৰু সকলোৰে সম-সুযোগ শুনিশ্চিত কৰাৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এতিয়াৰে পৰা পৰীক্ষাৰ্থীসকলে নিজৰ ইচ্ছা অনুসাৰে প্ৰাৰম্ভিক পৰীক্ষাৰ মাধ্যম নিৰ্ধাৰণ কৰিব পাৰিব।

০০০০০০

কাছাৰ আৰক্ষীয়ে কালি নিশা শিলচৰ-আইজল বাইপাছত চলোৱা এক অভিযানত ৩০ হাজাৰৰো অধিক নিচাযুক্ত টেবলেট জব্দ কৰে। জব্দ কৰা এই বৃহৎ পৰিমাণৰ টেবলেটখিনিত মূল্য ৯ কোটিৰো অধিক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেট কঢ়িওৱা ট্ৰাকসহ দুই সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ফৰকাল হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয় মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইফালে নাগালেণ্ড আৰু মিজোৰামত ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত